# আফগানিস্তানৰ ভৱিষ্যৎ

**চম্পক শৰ্মা**

মাথোঁ কেইদিনমানৰ পূৰ্বে আফগানিস্তানত তালিবানৰ পুনৰুত্থানৰ বিষয়টো প্ৰান্তিকত লিখিছিলোঁ। তাত আমেৰিকাৰ সৈন্য প্ৰত্যাহাৰৰ সিদ্ধান্ত আৰু তাৰ পাছৰ আফগানিস্তানৰ অৱস্থা সম্পৰ্কে উল্লেখ কৰা হৈছিল। সেই লেখা প্ৰকাশৰ ১৫ দিনৰ পাছতে অৰ্থাৎ যোৱা ১৫ আগষ্টত আগ্ৰাসী তালিবানে আফগানিস্তানৰ ৰাজধানী কাবুল অধিকাৰ কৰে। তালিবানে কাবুল দখল কৰাৰ পাছত সমগ্ৰ দেশখন নিজৰ অধীনলৈ অনা বুলি দাবী কৰিছে যদিও দুখন প্ৰদেশ ক্ৰমে পঞ্জছিৰ আৰু পাৰৱান এই পৰ্যন্ত তালিবানৰ অধীনলৈ যোৱা নাই। এই দুখন প্ৰদেশক লৈ দেশখনৰ প্ৰাক্তন উপৰাষ্ট্ৰপতি আমৰুল্লা ছালেহে তালিবানৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ় দিয়াৰ চেষ্টা কৰিছে। তেওঁ নিজকে আফগানিস্তানৰ ৰাষ্ট্ৰপতি বুলিও ঘোষণা কৰিছে। তেওঁৰ সহযোগী হিচাপে আছে আহমদ মাছুদ আৰু বিছমিল্লা খান মহম্মদী। আনহাতে তালিবান কৰ্তৃপক্ষই আফগানিস্তানত তেওঁলোকৰ প্ৰাপ্যখিনি পালে বুলি প্ৰকাশ কৰিছে আৰু কাৰো বিৰুদ্ধে প্ৰতিশোধমূলক ব্যৱস্থা লোৱা নহয় বুলি ৰাজহুৱাকৈ ঘোষণা কৰিছে। আনকি নাৰীৰ প্ৰতি সন্মানজনক ব্যৱহাৰ কৰা হ'ব বুলিও তালিবান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

আফগানিস্তানত তালিবানৰ এই আশ্চৰ্যকৰ পুনৰুত্থানৰ আঁৰৰ কথাবোৰ আগতেই লিখা হৈছে। বিগত বছৰত আমেৰিকাৰ সৈতে তালিবান কৰ্তৃপক্ষৰ কাটাৰৰ দোহাত এখন চুক্তি হয়। সেই চুক্তি মৰ্মে আফগানিস্তান চৰকাৰে ৪০০ দুৰ্ধৰ্ষ অপৰাধীসহ ৫০০০ তালিবান সদস্যক কাৰাগাৰৰ পৰা মুক্তি দিছিল। সন্দেহ কৰা মতে সেই তালিবানসকলেই ২০২০ চনৰ ছেপ্টেম্বৰত কাৰামুক্ত হৈ পুনৰ সংগঠিত হয় আৰু বিদেশী সদস্যৰ ভৰ্তিৰে শক্তি বৃদ্ধি কৰে। তালিবানৰ পুনৰ শক্তি বৃদ্ধিত আগভাগ লোৱা নেতা হৈছে মোল্লা ওমৰৰ ঘনিষ্ঠ সহযোগী ৫৩ বছৰীয়া আব্দুল গণি বাৰাদৰ (বাৰাদৰ শব্দৰ ইংৰাজী অৰ্থ 'ব্ৰাদাৰ' অৰ্থাৎ ভাই)। তেওঁৰ নেতৃত্বত নতুন শক্তিৰে উজ্জীৱিত তালিবানে এই বছৰৰ পহিলা মে'ৰ পৰাই আফগানিস্তান পুনৰ দখলৰ বাবে অভিযান আৰম্ভ কৰিছিল। তৰিৎ গতিত বিয়পি পৰা তালিবানসকলৰ বিস্তাৰৰ প্ৰধান কাৰণ আছিল প্ৰতিৰোধহীনতা।



আফগানিস্তানৰ প্ৰাদেশিক শাসকবোৰৰ নিজা নিজা সৈন্যদল আছিল। সেইসকল হয় তালিবানৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়াত ব্যৰ্থ হৈছিল, নহয় তেওঁলোকে নিজেই তালিবানৰ পক্ষত যোগ দি আত্মসমৰ্পণ কৰিছিল। আশ্চৰ্যৰ কথা যে অভিযান আৰম্ভ কৰাৰ মাত্ৰ এমাহতে তালিবানে নিজৰ অধীনলৈ অনা জিলাৰ সংখ্যা পূৰ্বৰ ৭৩খনৰ পৰা ২২৩খনলৈ বৃদ্ধি কৰিছিল। একেদৰে বৃদ্ধি পাইছিল নিজৰ ফলীয়া হোৱা যোদ্ধাৰ সংখ্যা আৰু অস্ত্ৰ-শস্ত্ৰৰ পৰিমাণ। প্ৰাদেশিক শাসকসকলৰ দুৰ্বলতা আৰু কেন্দ্ৰৰ প্ৰতি অধিক মুখাপেক্ষিতাৰ বাবেই আজি তালিবানৰ হাতত ৮৫ হাজাৰ সশস্ত্ৰ সদস্য আৰু প্ৰায় দুই লাখ সমৰ্থক গোট খাইছে। আনহাতে স্পষ্ট নীতিৰ অভাৱতেই চাৰে তিনিলাখ সৈন্য থাকিও আফগান চৰকাৰী বাহিনী পিছ হুঁহকি আহিবলগীয়া হৈছে। আজিৰ তাৰিখত দেশখনৰ ৩০৫ৰ পৰা ৩৯৯খন জিলা তালিবানৰ প্ৰভাৱাধীন হৈ আছে। শুনি আচৰিত যেন লাগিলেও সত্য যে কেৱল ২২ জুনৰ দিনটোতে ২৪ ঘণ্টাত ১৩খনকৈ জিলা তালিবানৰ নিয়ন্ত্ৰণলৈ আহে। কোনো সশস্ত্ৰ সংগঠনৰ এনে বিদ্যুৎ গতি সম্ভৱতঃ বিশ্ব ইতিহাসতে বিৰল।

প্ৰথমে গ্ৰাম্যাঞ্চলবোৰ নিয়ন্ত্ৰণলৈ অনাৰ পাছত যোৱা ৬ আগষ্টৰ পৰা তালিবানে প্ৰাদেশিক ৰাজধানীবোৰত আক্ৰমণ আৰম্ভ কৰে। লগে লগেই আমেৰিকাৰ সহায়-সাৰথিৰে হামিদ কাৰজাই আৰু আশ্ৰফ গনিয়ে গঢ়ি তোলাৰ চেষ্টা কৰা 'ইছলামিক ৰিপাব্লিক অব আফগানিস্তান' তাচপাতৰ ঘৰৰ দৰে খহি পৰিল। এই সমস্ত প্ৰক্ৰিয়াটো যোৱা ১৫ আগষ্টত একপ্ৰকাৰ সম্পূৰ্ণ হয়, যেতিয়া ৰাষ্ট্ৰপতি আশ্ৰফ গনিয়ে দেশ এৰি পলায়ন কৰে। বিপদত দেশ এৰি পলোৱা বুলি গনি সমালোচিত হৈছে আৰু ইয়াত অস্বাভাৱিকতা নাই যদিও এই সমগ্ৰ প্ৰক্ৰিয়াটোত আমেৰিকাসহ পশ্চিমীয়া শক্তিসমূহৰ ভূমিকা অতিকে পুতৌজনক আছিল। আমেৰিকাৰ ভাষ্যৰ সুৰ দুৰ্বল আৰু দায়িত্বহীন আছিল আৰু ৰাষ্ট্ৰসংঘয়ো চিৰাচৰিত ধৰণে উদ্বেগ প্ৰকাশ কৰিয়েই ক্ষান্ত থকা দেখা গৈছে। চীনৰ সৈতে তালিবানৰ বুজাবুজি আছে, ৰাছিয়াই সমৰ্থন দিছে আৰু পাকিস্তানতো তালিবানৰ অঘোষিত অভিভাৱকেই। এসময়ত নাটোৰ অন্তৰ্ভুক্ত যিসমূহ দেশে আমেৰিকাৰ সন্ত্ৰাসবিৰোধী যুঁজখনক সহায়-সাৰথি দি আগবঢ়াই নিবলৈ আহিছিল, সেইসমূহ দেশো আচৰিত ৰকমে নিৰৱ হৈ আছে। আমেৰিকাই দেশখনত কৰ্মৰত লোকসকলক সুৰক্ষিতভাৱে নিবলৈহে অতিৰিক্ত সৈন্যবাহিনী প্ৰেৰণ কৰিবলগীয়া হৈছে। নিজৰ দেশৰ নাগৰিকৰ ভৱিষ্যতক লৈ অতি উদ্বিগ্ন মাৰ্কিন ৰাষ্ট্ৰপতি জ' বাইডেন যদি আফগান নাগৰিকসকলৰ ভৱিষ্যতৰ কথা ভাবিও কিছু উদ্বিগ্ন হ'লহেঁতেন তেন্তে আফগানিস্তানত হয়তো তালিবানৰ এনে জয়জয়কাৰ হ'বলৈ নাপালেহেঁতেন। ক'ভিড-১৯ত বিধ্বস্ত মাৰ্কিন অৰ্থনীতিৰ জোৰা-টাপলি মৰাৰ স্বাৰ্থত বিদেশৰ পৰা সৈন্য প্ৰত্যাহাৰ কৰিবলৈ লৰালৰি লগোৱা বাইডেনে আফগানিস্তানক পুনৰ তালিবানৰ অধীনলৈ যাবলৈ এৰি দি